# ল’ৰাকাল

## অসমীয়া

## TEXTUAL QUESTIONS AND ANSWERS

---

**প্ৰশ্ন ১। কবিয়ে শৈশৱত কেনেদৰে উমলিছিল ?**

**উত্তৰঃ** শৈশৱ কালছাােৱা সকলাােৰে বাবে ৰং – ধেমালি কৰি উমলি ফুৰাৰ সময় । শৈশৱত কবিয়েও ৰং ধেমালি কৰি যেনি – তেনি উমলি – জামলি ঘূৰি ফুৰিছিল । ৰংমনেৰে মাটিৰ পুতলী সাজিছিল । আইতাকৰ ৰিহাৰ আঁচলত ধৰি লৰি ফুৰিছিল । ভায়েক – ভনীয়েকক ফুৰাবলৈ নি সিহঁতৰ লগতে উমলিছিল ।

**প্ৰশ্ন ২। কবিয়ে শৈশৱত কি সাজি অধিক আনন্দ পাােৱাৰ কথা কৈছে ?**

**উত্তৰঃ** মাটিৰ পুতলা সাজি ।

**প্ৰশ্ন ৩। ল’ৰাকালত কবিৰ মনত দুখ – বিষাদ আছিল নে ? তেওঁৰ ল’ৰাকালৰ বিষয়ে এটি চমু বৰ্ণনা দিয়া ।**

**উত্তৰঃ** নাছিল । ল’ৰাকালত কুবি বৰ মুকলিমূৰীয়া আছিল । তেতিয়া তেওঁ যেনি – তেনি উমলি – জামলি ঘূৰি ফুৰিছিল । ৰং মনেৰে মাটিৰ পুতলী সাজিছিল । এলাহ কি নাজানিছিল , মনটো উলাহেৰে ভৰি আছিল। অতি সৰল অন্তৰৰ কবিৰ মনত খিয়লা – খিয়লি ভাব সমূলি নাছিল । সংঘাতৰ জটিলতাও তেওঁ বুজি পাােৱা নাছিল । আইতাকক কবিয়ে বৰ মৰ্ম কৰিছিল আৰু তেওঁৰ ৰিহাৰ আঁচলত ধৰি ঘূৰি ফুৰিছিল। ভায়েক – ভনীয়েককো কবিয়ে খুব মৰম কৰিছিল আৰু সিহঁতক ফুৰাবলৈ নিছিল । ল’ৰাকালত কবিৰ তেজত উলাহ আছিল , মনটো সদায় পাােহৰ হৈ আছিল আৰু বুকুখন মৰমেৰে ভৰি আছিল ।

**প্ৰশ্ন ৪। কবিয়ে কাৰ ৰিহাৰ আচলত ধৰি ফুৰিছিল ?**

**উত্তৰঃ** আইতাকৰ ৰিহাৰ আঁচলত ধৰি ফুৰিছিল ।

**প্ৰশ্ন ৫। আইতাকৰ প্ৰতি কবিৰ ভাব কেনে আছিল ?**

**উত্তৰঃ** আইতাকৰ প্ৰতি কবিৰ খুব ভাল ভাব আছিল । তেওঁ আইতাকক বৰ মৰম কৰিছিল ।

**প্ৰশ্ন ৬। কবিয়ে কাক হেঁপাহেৰে মৰম বিলায় ?**

**উত্তৰঃ** ভায়েক – ভনীয়েকক ।

**প্ৰশ্ন ৭। কবিয়ে শেষত হৰি অৰ্থাৎ ভগৱানৰ ওচৰত কি কামনা কৰিছে ?**

**উত্তৰঃ** যি গৰাকী দয়াময় হৰি অৰ্থাৎ ভগৱানে কবিৰ তেজত উলাহ , মনত পা েৰ আৰু বুকুত মৰম দিছে , সেইগৰাকী ভগৱানৰ চৰণত তেওঁৰ মনটো যাতে সদায় নিবিষ্ট হৈ থাকে , তাকেই কবিয়ে শেষত ভগৱানৰ ওচৰত কামনা কৰিছে ।

**প্ৰশ্ন ৮। বাক্য সাজা –**

এনি – তেনি , ওমলি – জামলি , লৰ-ধৰ , খিয়লা-খিয়লি , ৰং ৰহইচ , খৰ – খেদা , ভাই – ভনী ।

**উত্তৰঃ এনি – তেনি :-** নিজ কৰ্তব্যক অৱহেলা কৰি এনি – তেনি ঘূৰি ফুৰিলে জীৱনত সফলতা লাভ কৰিব না েৱাৰি ।

**ওমলি – জামলি :-** ল’ৰা কালছা েৱা সকলা েৰে বাবে ওমলি – জামলি ফুৰাৰ সময় ।

**লৰ-ধৰ :-** অলপা ে লৰধৰ নকৰাকৈ বহি আছে যে , তা েৰ হৈছে কি ?

**খিয়লা – খিয়লি :-** খিয়লা – খিয়লি ভাবে মানুহৰ মাজত বিভেদ ঘটায় ।

**ৰং-ৰহইচ :-** এইবেলি পূজাৰ বন্ধটো বৰ ৰং – ৰহইচৰ মাজেৰে পাৰ কৰিলোঁ ।

**খৰ – খেদা :-** অলপ খৰ – খেদা কৰ , নহ’লে কামটো হৈ নুঠিব ।

**ভাই – ভনী :-** ভাই ভনীৰ মিলাপ্ৰীতিয়ে দেউতাক – মাকৰ মনত আনন্দ দিয়ে ।

**প্ৰশ্ন ৯। তাৎপৰ্য ব্যাখ্যা কৰা –**

**( ক ) মুখত সদায় মা েৰ হাঁহি নুগুচেই**

**সংসাৰ লেঠা মই নুবুজোঁ নিচেই ।**

**উত্তৰঃ** ল’ৰা কালছা েৱা মানুহৰ জীৱনৰ মধুৰতম সময় । এই সময়ত সকলা েৱে উমলি – জামলি ৰং – ধেমালি কৰি ভাল পায় । মন সদায় আনন্দেৰে ভৰি থাকে । খিয়লা – খিয়লি ভাব বা কু – চিন্তাই মনত ঠাই নাপায় । এই কালছা েৱাত সংসাৰৰ জটিলতা বুজি পা েৱা নাযায় আৰু মুখত সদায় হাঁহি বিৰিঙি থাকে । গা েটেই জীৱন ধৰি মানুহৰ হৃদয় জীপাল কৰি ৰখা ল’ৰাকালৰ সা েণালী সময়ৰ সেই মধুৰ স্মৃতিকে কবিয়ে উক্ত কবিতা ফাকিৰ জৰিয়তে দাঙি ধৰিছে ।

**( খ ) জানিলোঁ জানিলোঁ তেওঁ হৰি দয়াময় ,**

**সেই চৰণত যেন মা েৰ মতি ৰয় ।**

**উত্তৰঃ** ল’ৰাকালত কবিৰ মনটো আনন্দেৰে ভৰপুৰ হৈ আছিল । তেওঁৰ তেজত উলাহৰ ঢৌ উঠিছিল , পা েহৰ পা েহৰ ভাবে মনটো উজলাই ৰাখিছিল । সকলা েৰে প্ৰতি তেওঁৰ বুকুত আছিল অফুৰন্ত মৰম । কবিয়ে উপলব্ধি কৰিছিল তেওঁৰ তেজত ইমান উলাহ , মনত ইমান পা েহৰ , বুকুত ইমান মৰম — এই সকলা েবা েৰ হৰি অৰ্থাৎ ভগৱানেহে দিছে । সেয়েহে , তেনেকুৱা দয়াময় ভগৱানৰ চৰণত তেওঁৰ মনটো যাতে সদায় নিবিষ্ট হৈ থাকে , তাকে কবিয়ে ভগৱানৰ ওচৰত প্ৰাৰ্থনা কৰিছে ।

**প্ৰশ্ন ১০। বিপৰীত শব্দ লিখা –**

হাঁহি , মৰম , পা েহৰ , সুমতি , শত্ৰু , আনন্দ

**উত্তৰঃ** হাঁহি – কান্দোন ।

মৰম – ঘৃণা ।

পা েহৰ – এন্ধাৰ ।

সুমতি – কুমতি ।

শত্ৰু – মিত্ৰ ।

আনন্দ – বিষাদ , বেদনা ।

**প্ৰশ্ন ১১। হাঁহি , কোৱৰ — এই দুটা শব্দৰ দৰে চন্দ্ৰবিন্দু ( ঁ ) যাোগ হাোৱা পাঁচটা শব্দ লিখা ।**

**উত্তৰঃ** বাঁহ , সিহঁত , কুঁৱৰী , চিয়াঁহী , কুঁৱলি ।

**প্ৰশ্ন ১২। উঃ , হাঁ , বাঃ , উস্ আদি আশ্চৰ্য ভাব বুজোৱা শব্দৰে একোটাকৈ বাক্য গঠন কৰা ।**

**উত্তৰঃ** উঃ – উঃ ! কথাষাৰ শুনি বৰ দুখ পালোঁ ।

হাঁ – হাঁ ! তই ' কি আজিও স্কুললৈ নাযাৱ ?

বাঃ – বাঃ ! কি সুন্দৰ দৃশ্য ।

উস্ – উস্ ! মৰিলোঁ দে ।

**প্ৰশ্ন ১৩। ' ল'ৰাকাল ' কবিতাটিৰ মূল ভাব লিখা ?**

**উত্তৰঃ** ' ল'ৰাকাল ' কবিতাটিৰ মাজেৰে কবিয়ে ল'ৰাকালৰ সাোণালী সময়ৰ কথা সোঁৱৰণ কৰিছে। ল'ৰাকালছাোৱা সকলাোৰে বাবে ৰং – ধেমালিৰ সময় । এনি – তেনি ঘূৰি ফুৰি উমলি – জামলি ভাল পায় । তেওঁলাোকে সংসাৰৰ জটিলতা বুজি নাপায় । আইতাকৰ মৰমৰ বান্ধোনত তেওঁলাোকে বান্ধ খাই থাকে । লগৰীয়াবাোৰৰ লগত ফুৰা ৰং – ধেমালি কৰা কামবাোৰ তেওঁলাোকৰ বাবে বৰ – আনন্দ দায়ক । হিংসা , ভেদভাব তেওঁলাোকে বুজি নাপায় । তেওঁলাোকৰ মন সদায় আনন্দেৰে ভৰপূৰ হৈ থাকে ।

**প্ৰশ্ন ১৪। বেণুধৰ ৰাজখাোৱাক ব্ৰিটিছ প্ৰশাসনে কি উপাধি প্ৰদান কৰিছিল ?**

**উত্তৰঃ** ৰায় বাহাদুৰ ।

**প্ৰশ্ন ১৫। বেণুধৰ ৰাজখাোৱাৰ আত্মজীৱনীমূলক পুথিখনৰ নাম কি ?**

**উত্তৰঃ** " মাোৰ জীৱন দাপাোণ । "

**প্ৰশ্ন ১৭। শব্দাৰ্থ লিখা –**

এফেৰি , পুতুলী , উলাহ , খিয়লা-খিয়লি , হেঁপাহ ।

**উত্তৰঃ** এফেৰি – সামান্য পৰিমাণৰ ।

পুতুলী – পুতলা ।

উলাহ – আনন্দ ।

খিয়লা-খিয়লি – হিংসা ।

হেঁপাহ – আগ্ৰহ ।